**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-12-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ এহেজাৰ ২০০ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদ মেলত আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিলচৰৰ দুলু চাহ বাগিচাৰ ৩০০ বিঘা ভূমি বিমান বন্দৰলৈ হস্তান্তৰ কৰা হ'ব। তেওঁ লগতে কাৰ্বি আংলঙত ৰাজ্যৰ দ্বিতীয়খন সৈনিক স্কুল স্থাপন কৰাৰ সিদ্ধান্তও আজিৰ মন্ত্ৰীসভাই গ্ৰহণ কৰে বুলি জানিবলৈ দিয়ে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে নৱপ্ৰজন্মৰ মাজত সাহিত্যক অধিক জনপ্ৰিয় কৰি তোলাৰ বাবে ডিজিটেল মাধ্যমৰ সুফল ব্যৱহাৰ কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি উল্লেখ কৰিছে। উচ্চ শিক্ষা বিভাগৰ উদ্যোগত কটন বিশ্ববিদ্যালয়ত আয়োজিত কথাশিল্পীলৈ শ্ৰদ্ধাঞ্জলি আৰু সাহিত্যিক বঁটা আৰু পেঞ্চন প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ সাহিত্য চৰ্চা আৰু অধ্যয়নৰ সৈতে আধুনিক প্ৰযুক্তিৰ সংযোগ স্থাপনে অসমৰ ভাষা-সাহিত্যৰ ক্ষেত্ৰখনক অধিক প্ৰসাৰ আৰু গতিশীলতা প্ৰদান কৰিব বুলি প্ৰকাশ কৰে। ডাঃ পেগুৱে অনুষ্ঠানত বৰেণ্য কথাশিল্পী হোমেন বৰগোহাঞিৰ আদৰ্শই ৰাজ্যৰ নৱ প্ৰজন্মক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিছে বুলি মন্তব্য কৰে। তেওঁ লগতে বঁটা লাভ কৰা সাহিত্যিকসকলক শুভেচ্ছা জনায়। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শিক্ষামন্ত্ৰীগৰাকীয়ে বিশ্ববিদ্যালয়সমূহক দক্ষতাৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ত দক্ষতা আৰু সাধাৰণ শিক্ষাৰ মাজত সমন্বয়ৰ কথা কোৱা হৈছে বুলি উল্লেখ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে কবিতা, সৃষ্টিশীল লিখনিৰ দৰে দক্ষতাৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ডাঃ পেগুৱে ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কয় যে প্ৰতিবেদনখন সন্দৰ্ভত মটক সংগঠনৰ পৰা এটা সংশোধনী আহিছে। এই সংশোধনী মৰ্মে পূৰ্বে উল্লেখ নথকা কিছু কথা প্ৰতিবেদনখনত সন্নিৱিষ্ট কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

বাইট (ডাঃ ৰণোজ পেগু)

০০০০০০০

২০২৬ চনৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰস্তুতিৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি গুৱাহাটীত ই ভি এম আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। এই কৰ্মশালাত ৰাজ্যৰ সকলো জিলা নিৰ্বাচনী বিষয়া আৰু প্ৰথম পৰ্যায়ৰ পৰীক্ষণ তত্বাৱধায়কসকলে অংশগ্ৰহণ কৰে। নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ উপ-নিৰ্বাচনী আয়ুক্ত মনীষ গাৰ্গ আৰু অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ অধ্যক্ষতাত অনুষ্ঠিত এই কৰ্মশালাত নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা নিশ্চিত কৰিবলৈ ই ভি এম পৰিচালনাৰ ক্ষেত্ৰত মানি চলিবলগীয়া নিয়মসমূহৰ বিষয়ে আলোচনা কৰা হয়। তদুপৰি হায়দৰাবাদৰ ইলেক্ট্ৰনিকছ কৰ্পোৰেচন অব ইণ্ডিয়া লিমিটেডৰ কাৰিকৰী বিশেষজ্ঞসকলে ই ভি এম আৰু ভিভিপেটৰ বিভিন্ন দিশ সামৰি পৰামৰ্শ আগবঢ়ায়। ৰাজ্যৰ সকলো জিলাতে অহা ১১ ডিচেম্বৰৰ পৰা ১০ জানুৱাৰীলৈ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব বুলি ৰাজ্যৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াই প্ৰেছ বিজ্ঞপ্তিযোগে প্ৰকাশ কৰিছে।

০০০০০০০

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ড০ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত কাইলৈ স্কুটাৰ প্ৰদান কৰা হ'ব। এইবাৰ এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কাইলৈ দিনৰ ১১ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰীয়ে এই বঁটা লাভ নকৰে।

০০০০০০০

লখিমপুৰ জিলাৰ এগৰাকী গ্ৰন্থানুৰাগী যুৱকৰ উদ্যোগত কিতাপ পঢ়াৰ বৌদ্ধিক আন্দোলন গঢ়ি তোলাৰ লক্ষ্যৰে আজি আজাদ অঞ্চলৰ বাঁহপাতিত এখন বিনামূলীয়া গ্ৰন্থমেলা অনুষ্ঠিত হয়। বিশিষ্ট সাহিত্যিক, সাংবাদিক হোমেন বৰগোঁহাঞিৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি গ্ৰন্থ আৰু অধ্যয়ন দিৱস শীৰ্ষক এটা কাৰ্যসূচীও অনুষ্ঠিত হয়। জীৱন্ত শইকীয়া নামৰ এজন ব্যক্তিৰ উদ্যোগত আয়োজিত এই গ্ৰন্থমেলাত প্ৰায় ২০ হাজাৰ পঢ়ুৱৈক গ্ৰন্থ যোগান ধৰাৰ লগতে বিদ্যায়তনিক আৰু বিনোদনধৰ্মী প্ৰায় ৪০ হাজাৰ গ্ৰন্থ মজুত ৰখা হয়। বিশিষ্ট সাংবাদিক নিতুমণি শইকীয়াই এই গ্ৰন্থ মেলা উদ্বোধন কৰি আনন্দ প্ৰকাশ কৰে।

০০০০০০০

চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগ তথা ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আজিৰে পৰা ১৭ বছৰ অনূৰ্দ্ধ ল'ৰাৰ চাহ জনজাতি আৰু আদিবাসী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। তিনিচুকীয়াৰ ডুমডুমা টাউন ফিল্ডত আজি প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত হয়। অহা ৭ জানুৱাৰীলৈকে হ'বলগীয়া এই প্ৰতিযোগিতাখনত ২৯খন জিলাৰ ৮৯টা বিধানসভা সভা সমষ্টিৰ পৰা এহেজাৰৰো অধিক দলে অংশগ্ৰহণ কৰিব। এই প্ৰতিযোগিতা মূলতঃ চাৰিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ইয়াৰে বিধানসভা সমষ্টি পৰ্যায়ত ৭ দিনীয়াকৈ, জিলা পৰ্যায়ত ৫ দিনীয়াকৈ, আঞ্চলিক পৰ্যায়ত ৪ দিনীয়াকৈ আৰু ৰাজ্যিক পৰ্যায়ত ৩ দিনীয়াকৈ অনুষ্ঠিত হ'ব।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**